নে নাই — সেই দিশৰ লগতো সম্পাদনাপক্ষ জড়িত হৈ থাকে। লেখকপক্ষৰ ভাষাগত দিশটোতো সম্পাদনা পক্ষই শুদ্ধাশুদ্ধ নির্ণয় কৰিব লাগে। ব্যাকৰণগত দিশটোৰ উপৰি লেখক একোজনৰ শব্দবিন্যাস, বানান, পাদটীকা, বাক্যবিন্যাস, দফাবিন্যাসৰ ওপৰতো সম্পাদনাপক্ষৰ দৃষ্টি নিবদ্ধ থাকে। সমধর্মী শব্দ বা বাক্যৰ সঘন ব্যৱহাৰ হ্রাস কৰা, যতি চিহ্নৰ সঠিক ব্যৱহাৰ কৰা, সংক্ষিপ্তীকৃত শব্দৰ ব্যৱহাৰ, তালিকা, দণ্ডচিত্র আদি ব্যাখ্যা অনুসৰি সঠিক ৰূপত, সঠিক পৃষ্ঠাত সন্নিৱিষ্ট হৈছে নে নাই — সেই দিশবোৰো সম্পাদনাপক্ষই গুৰুত্ব দিয়ে। তদুপৰি অঙ্গসজ্জা-অলংকৰণ, ৰেখাচিত্র, স্কেচ্ছ আদিৰ ব্যৱহাৰ আৰু এইবোৰত দিয়া শীর্ষকৰ (Caption) যথাযোগ্য ব্যৱহাৰ সম্পর্কতো সম্পাদনাপক্ষৰ কার্যকৰী ভূমিকা জড়িত হৈ থাকে। লেখকপক্ষই ব্যৱহাৰ কৰা উদ্ধৃতি, অলংকৃতি (Illustration) এইবোৰ কপিৰাইট আইনৰ আঁওতাৰপৰা মুক্ত হোৱাৰ দিশটোতো বিচাৰ-বিবেচনা কৰে।

**১.৩ মুদ্রণপক্ষৰ লগত সম্পাদনাপক্ষৰ সম্পর্ক ঃ**

মুদ্রণপক্ষ মূলতঃ কাৰিকৰী পক্ষ। লেখকপক্ষৰপৰা পোৱা কোনো এক কার্য সম্পাদনাপক্ষৰ মাজেৰে মুদ্রণপক্ষলৈ যায়। মুদ্রণপক্ষত সম্পাদনাপক্ষৰপৰা পোৱা কার্য একোটাক চূড়ান্ত পর্যায়লৈ বা পাঠকপক্ষলৈ নিয়াৰ ব্যৱস্থা কৰা হয়। মুদ্রণপক্ষত এই ব্যৱস্থাৰ লগত আৰু কেইটামান বিভাগ জড়িত হৈ থাকে। সেইকেইটা হৈছে — অক্ষৰ স্থাপক, ডিজাইনপক্ষ বা অলংকৰণ, অংগসজ্জা, কলাশাখা, প্রকাশন ব্যৱস্থাপনাপক্ষ, গাণনিক বিভাগ, বিক্রী শাখা, মজুতকৰণ-বিতৰণপক্ষ, মুদ্রক, গ্রন্থক, সামগ্রী ব্যৱস্থাপনা শাখা অন্যতম। ছেমুৱেল ইজৰাইলে তেওঁৰ *A Career in Book Publishing* গ্রন্থত এই পৰিক্রমাটো ৰেখাচিত্রৰে এই গ্রন্থৰ ১৩ পৃষ্ঠাত দেখুওৱাৰ দৰে ব্যাখ্যা কৰিছে।

পাণ্ডুলিপি একোটা সম্পাদনাপক্ষৰপৰা মুদ্রণপক্ষলৈ বিভিন্ন ভাগ, উপ-বিভাগৰ মাজেৰে যাওঁতে তলত উল্লেখ কৰা বিষয়বোৰ স্পষ্টৰূপত নির্ধাৰিত হ'ব লাগিব (যদি পাণ্ডুলিপিটো গ্রন্থৰ হয়) —

- ○ গ্রন্থখনৰ আকাৰ কি বা কেনেধৰণৰ হ'ব;
- ○ গ্রন্থখনৰ মূলপাঠৰ মুদ্রাক্ষৰ বর্গ আৰু আকাৰ কি হ'ব;
- ○ শীর্ষক, উপ-শীর্ষক আদিত মুদ্রাক্ষৰ বর্গৰ হৰফ, আকাৰ-আকৃতি কেনেধৰণৰ হ'ব;

পুৰণি আলোচনীৰ বিভিন্ন সংখ্যাৰ সংকলনৰপৰা আৰম্ভ কৰি গ্ৰন্থ-আলোচনী আদিৰ লেখাসমূহকো সামৰি লয়। অৰ্থাৎ আলোচনী একোখনত প্ৰকাশ কৰিবলৈ সাজু কৰি লোৱা লেখাৰ সমষ্টিটোৱেই পাণ্ডুলিপি। গ্ৰন্থ একোখনত প্ৰকাশ কৰিবলৈ সাজু কৰা লেখা বা ৰচনাৰ সমষ্টিয়েই পাণ্ডুলিপি। সেই অৰ্থত কোনো এজন লেখকৰ ৰচনাৱলী প্ৰকাশৰ বাবে সাজু কৰা প্ৰতিখন গ্ৰন্থ, গ্ৰন্থত সন্নিৱিষ্ট প্ৰতিটো লেখা, অগ্ৰন্থিত, অপ্ৰকাশিত প্ৰতিটো লেখাৰ সমষ্টিয়েই পাণ্ডুলিপি। এনে পাণ্ডুলিপিসমূহক সম্পাদনা কৰিয়েই মুদ্ৰণৰ বাবে প্ৰেৰণ কৰা হয়। মুদ্ৰণৰ বাবে প্ৰস্তুত কৰা কোনো এক পাণ্ডুলিপিৰ বিষয়গত, ভাষাগত বা কাৰিকৰী দিশৰ আসোঁৱাহ দূৰ কৰি লেখাৰ বক্তব্য আৰু অভিব্যক্তিক পাঠকৰ বাবে সাজু কৰি তোলাই পাণ্ডুলিপি সম্পাদনাৰ প্ৰধান কাম। এইক্ষেত্ৰত গুৰুত্ব দিবলগীয়া দিশকেইটা হৈছে—

ক. বিষয়বস্তুৰ স্পষ্টতা ৰক্ষা কৰা,
খ. বিষয়বস্তুৰ পাৰস্পৰিক সংগতি ৰক্ষা কৰা,
গ. তথ্যগত শুদ্ধতা নিৰ্ণয় কৰা,
ঘ. উপস্থাপনত পুনৰাবৃত্তি-অস্পষ্টতা দূৰ কৰা,
ঙ. উদ্ধৃতিৰ যথাৰ্থতা নিৰ্ণয় কৰা,
চ. ভাষাগত বিভ্ৰান্তি দূৰ কৰা।

পাণ্ডুলিপি সম্পাদনাৰ দুই মেৰুত লেখকপক্ষ আৰু পাঠকপক্ষ জড়িত হৈ থাকে। লেখক এজোজনৰ বাৰ্তা, সমাধান, বক্তব্য বিষয় পাঠকৰ হাতত পৰা আগতে মুদ্ৰণকক্ষলৈ যায়। পাঠকৰ হাতত যাতে কোনো পাঠ্য-সামগ্ৰী নিৰ্ভুল আৰু নিৰ্মেদ ৰূপত পৰেগৈ, তাৰ বাবে মুদ্ৰণপক্ষলৈ যোৱাৰ পূৰ্বে পাণ্ডুলিপি সম্পাদনাৰ সকলো কাৰ্য্যব্যৱস্থা সম্পন্ন কৰা হয়। অৰ্থাৎ পাঠকপক্ষৰ হাতত পৰাৰ পূৰ্বে ক্ৰমে লেখকপক্ষ, সম্পাদনাপক্ষ আৰু মুদ্ৰণপক্ষ জড়িত হৈ থাকে। লেখকপক্ষৰপৰা মুদ্ৰণপক্ষৰ মাজত অৱস্থান কৰা সম্পাদনাপক্ষৰ হাততেই প্ৰকৃততে পাণ্ডুলিপি এটোটাৰ সকলো দিশ নিৰ্ভৰ কৰে। পাণ্ডুলিপি এটোটাৰ বিষয়বস্তু, উপস্থাপনশৈলী, দৈৰ্ঘ্য, প্ৰকাশভংগী এই সকলোবোৰ দিশ সম্পাদনাপক্ষত বিচাৰ কৰি চোৱা হয়। সেই দিশৰপৰা সম্পাদনাপক্ষই সকলোৰে কেন্দ্ৰীয় স্থানত অৱস্থান কৰে। ৰেখাচিত্ৰ ১ ৰ (পৃষ্ঠা ১৩) বিশ্লেষণে এই কথা স্পষ্ট কৰিছে যে, লেখকপক্ষ, মুদ্ৰণপক্ষ আৰু পাঠকপক্ষৰ লগত সম্পাদনাপক্ষৰ প্ৰত্যক্ষ সম্পৰ্ক আছে।

## ১.২ লেখকপক্ষৰ লগত সম্পাদনাপক্ষৰ সম্পৰ্ক ঃ

লেখকপক্ষৰপৰা অহা ৰচনা এৰোখনৰ যাৱতীয় সকলো মুদ্ৰণ সম্পৰ্কীয় কাৰ্য্যব্যৱস্থা সম্পাদনাপক্ষত নিয়ন্ত্ৰিত হয়। লেখকৰ কোনো এটা বাৰ্তা বা বক্তব্য পাঠকসমাজলৈ স্পষ্ট, শুদ্ধ ৰূপত যোৱাৰ ক্ষেত্ৰত সম্পাদনাপক্ষৰে গুৰুত্ব সৰ্বাধিক। ৰচনা এৰোখনৰ ভাষাগত, বিষয়গত আৰু সকলোধৰণৰ কাৰিকৰী দিশ সম্পাদনাপক্ষত পুংখানুপংখকৈ নিৰীক্ষণ কৰা হয়। বিষয়বস্তুৰ স্পষ্টতা ৰক্ষাৰে পাঠকপক্ষৰ ওচৰত সম্পাদনাপক্ষ যিমান দায়বদ্ধ, লেখকপক্ষৰপৰা বিষয়বস্তুৰ আঁতিগুৰি উলিয়াই অনাতো সম্পাদনাপক্ষ সমানেই দায়বদ্ধ হোৱা উচিত। আলোচ্য বিষয়ৰ পাৰস্পৰিক সংগতি ৰক্ষা কৰা; বিষয়বস্তুৰ তথ্যগত বিভ্ৰান্তি দূৰ কৰাতো সম্পাদনাপক্ষৰ গুৰুত্বপূৰ্ণ ভূমিকা পৰিলক্ষিত হয়। নিৰ্ধাৰিত বিষয়বস্তু উপস্থাপনৰ ক্ষেত্ৰত লেখকপক্ষই গ্ৰহণ কৰা উপস্থাপনশৈলী বা কলা-কৌশল সন্দৰ্ভতো সম্পাদনাপক্ষই প্ৰবল সচেতনতা সৃষ্টি কৰিব পাৰে। প্ৰয়োজন সাপেক্ষে সম্পাদনাপক্ষই লেখকপক্ষলৈ পুনৰ্লিখনৰ বাবে বা শুদ্ধিকৰণৰ বাবে পাণ্ডুলিপি ওভতাই পঠিয়াব পাৰে। বিষয়বস্তুসমূহৰ পুনৰ লেখন কৰি বা পদ্ধতিগতভাৱে সজাই লেখকপক্ষই পুনৰ সম্পাদনাপক্ষলৈ প্ৰেৰণৰ ব্যৱস্থা কৰে। সম্পাদনাপক্ষত বিষয়বস্তু আৰু উপস্থাপনৰ লগত সংগতিপূৰ্ণভাৱে নিৰ্ধাৰিত পাণ্ডুলিপিৰ আইনগত দিশসমূহৰো চোৱা-চিতা কৰিব পাৰে। লেখকপক্ষৰ কোনোধৰণৰ বক্তব্যই যাতে জনসমাজত, প্ৰশাসনিক ক্ষেত্ৰত বিভ্ৰান্তিৰ সৃষ্টি কৰিব নোৱাৰে, তাৰ প্ৰতিও সম্পাদনাপক্ষ সচেতন হোৱাৰ প্ৰয়োজন। অন্যহাতে নকল লেখাৰ প্ৰতিও সম্পাদনাপক্ষ সমানেই সজাগ হোৱাৰ প্ৰয়োজন। অন্য লেখকৰ ৰচনা, পাণ্ডুলিপি, গ্ৰন্থ বা যিকোনো উৎসৰপৰা আজিকালি সহজেই প্ৰতিলিপি কৰা দেখা যায়। অন্য লেখকৰ ধাৰণাৰ আলমত অবিকল প্ৰতিলিপি কৰা বা আনৰ ধাৰণাক আত্মসাৎ কৰি লিখা প্ৰতিটো প্ৰক্ৰিয়াই কুম্ভীলক প্ৰবৃত্তি বা Plagiarismৰ অন্তৰ্ভুক্ত। সম্পাদনাপক্ষই সদায়েই লেখকপক্ষৰপৰা পোৱা পাণ্ডুলিপি কোনো উৎসৰপৰা প্ৰতিলিপি কৰা, উদ্ধৃতিৰ ব্যৱহাৰ কৰা আদি প্ৰাসংগিক দিশটো গুৰুত্ব সহকাৰে লোৱাটো অত্যন্ত প্ৰয়োজন।

লেখকপক্ষৰ সমস্ত ভাবনা বা বক্তব্য পাণ্ডুলিপিৰ প্ৰতিটো অধ্যায়, উপ-অধ্যায়ত কোনোধৰণৰ অস্পষ্টতা, বিভ্ৰান্তি নোহোৱাকৈ যথাযথভাৱে বিবৃত হৈছে

# প্ৰথম অধ্যায়

# পাণ্ডুলিপি সম্পাদনা

## ১.১ পাণ্ডুলিপি সম্পাদনা (Copy Editing)

ইংৰাজী 'Copy' শব্দৰ প্ৰতিশব্দ হিচাপে অসমীয়াত 'পাণ্ডুলিপি' শব্দটো
tronic file.[১] মুদ্ৰণ-প্ৰসাৰণৰ বাবে সাজু কৰা কোনো সামগ্ৰীৰ খচৰাকেই পাণ্ডুলিপি
ব্যৱহাৰ কৰা হয়। Copy is the raw material of typescript and elec-
বুলি কোৱা হয়। মুদ্ৰণ কাৰ্য্যত পাণ্ডুলিপি একোটাকে চূড়ান্ত বুলি ধৰা নহয়।
পাণ্ডুলিপিটোক মুদ্ৰণ-প্ৰকাশন আৰু প্ৰসাৰণৰ উপযোগী কৰি তুলিবলৈ সঠিক
ৰূপত সম্পাদনাৰ প্ৰয়োজন হয়।

পাণ্ডুলিপি সম্পাদনা মূলতঃ মুদ্ৰণ-প্ৰকাশন আৰু প্ৰসাৰণৰ লগত জড়িত
এক কাৰ্য্যব্যৱস্থা। কাকত-আলোচনী, গ্ৰন্থ-পত্ৰিকা আদিৰ ত্ৰুটিহীন প্ৰকাশনৰ ক্ষেত্ৰত
জড়িত সম্পাদনা কাৰ্যক পাণ্ডুলিপি সম্পাদনাৰ (Copy Editing) ধাৰণাই সূচিত
কৰে। এই কাৰ্যৰ যোগেদি প্ৰকাশ পাবলগীয়া আৰু প্ৰসাৰ হ'বলগীয়া লেখাক
ত্ৰুটিমুক্ত ৰূপত মুদ্ৰণ উপযোগী কৰি উলিওৱা হয়। পাণ্ডুলিপি সম্পাদনাই কোনো
বিষয়ক পাঠক-গৱেষক-অধ্যেতা বা শ্ৰোতাৰ ৰুচিশীলতা বা বিদ্যায়তনিক চাহিদাৰ
প্ৰতি গুৰুত্ব দি সুচাৰু ৰূপে প্ৰস্তুত কৰি উলিওৱা কলা-কৌশল বিশেষক বুজায়।
মুদ্ৰণৰ উদ্দেশ্যে প্ৰস্তুত কৰি উলিওৱা পাণ্ডুলিপিয়ে কোনো লেখকৰ ৰচনা সমগ্ৰ,

---

[১] Butcher, Judith, Caroline Drake & others. *Butcher's Copy Editing.* Cambridge University Press, 2006. p. 3. print.